# আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ বিভাগৰ মুখপাত্ৰৰ মন্তব্যত ভাৰতে জনাইছে তীব্ৰ আপত্তি

২৭ মাৰ্চ ২০২৪

ভাৰতত কিছুমান আইনী প্ৰক্ৰিয়াৰ বিষয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ বিভাগৰ মুখপাত্ৰৰ মন্তব্যৰ ওপৰত আমি তীব্ৰ আপত্তি জনাইছো৷

কূটনীতিত দেশবোৰে আনৰ সাৰ্বভৌমত্ব আৰু আভ্যন্তৰীণ বিষয়ৰ প্ৰতি সন্মান কৰিব বুলি আশা কৰা হয়৷ সতীৰ্থ গণতন্ত্ৰৰ ক্ষেত্ৰত এই দায়িত্ব আৰু অধিক হয়৷ অন্যথা ই অশুভ দৃষ্টান্ত উপস্থাপন কৰিব পাৰে৷

ভাৰতৰ আইনী প্ৰক্ৰিয়াসমূহ এক স্বতন্ত্ৰ ন্যায়পালিকাৰ ওপৰত আধাৰিত যি বস্তুনিষ্ঠ আৰু সময়োপযোগী ফলাফলৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ৷ ইয়াক অপমান কৰাটো দুৰ্ভাগ্যজনক৷

**নতুন দিল্লী**
**২৭ মাৰ্চ ২০২৪**